Total No. of Printed Pages—3

## 1 SEM TDC ASMH (CBCS) C 1

**2022**

( Nov/Dec )

ASSAMESE

( Core )

Paper : C–1

**( অসমীয়া সাহিত্যৰ বুৰঞ্জী–১ )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) অসমীয়া সাহিত্য বুৰঞ্জী এখনৰ নাম লিখাঁ।

(খ) 'চিকন সৰিয়হৰ গীত' কোন শ্ৰেণীৰ মালিতা?

(গ) 'শূন্য পুৰাণ' কাৰ ৰচনা?

(ঘ) হৰিবৰ বিপ্ৰ কোন যুগৰ কবি?

(ঙ) মাধৱদেৱে 'ৰামায়ণ'ৰ কোনটো কাণ্ড অনুবাদ কৰিছিল ?

(চ) 'উষা পৰিণয়' কোনে ৰচনা কৰিছিল ?

(ছ) বুৰঞ্জী সাহিত্য কোন যুগৰ সাহিত্য ?

(জ) ৰঘুনাথ মহন্তৰ এখন কাব্যৰ নাম লিখাঁ।

২। (ক) অসমীয়া সাহিত্যৰ যুগ-বিভাজন কৰোঁতাসকলৰ নাম উল্লেখ কৰাঁ। সেইসকলৰ কোনজনৰ যুগ-বিভাজন তুমি যুক্তিসংগত বুলি ভাবা, যুক্তি দৰ্শাই আলোচনা কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) সত্যেন্দ্ৰনাথ শৰ্মাৰ মতামতৰ আধাৰত অসমীয়া সাহিত্যৰ যুগ-বিভাজন সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৫

৩। (ক) লোকগীতৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি অসমীয়া সমাজত প্ৰচলিত অনুষ্ঠানমূলক লোকগীতসমূহৰ এটি পৰিচয়সূচক আলোচনা যুগুত কৰাঁ। ৪+১০=১৪

*অথবা*

(খ) প্ৰত্ন অসমীয়া সাহিত্য বুলিলে কি বুজা ? প্ৰত্ন অসমীয়া সাহিত্যৰ নিদৰ্শন হিচাপে 'চৰ্যাপদ'ৰ বিষয়ে এটি আলোচনা দাঙি ধৰাঁ। ৪+১০=১৪

৪। (ক) প্ৰাক্-শঙ্কৰী যুগৰ শ্ৰেষ্ঠ কবিজনাৰ পৰিচয় দাঙি ধৰি তেওঁৰ সাহিত্যিক অৱদানৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা। ৩+১২=১৫

*অথবা*

(খ) হেম সৰস্বতীৰ কাব্যকৃতি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা। ১৫

৫। (ক) পীতাম্বৰ কবিৰ কাব্য-প্ৰতিভা সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১২

*অথবা*

(খ) 'শঙ্কৰী যুগৰ সাহিত্যৰ বৈশিষ্ট্য' শীৰ্ষক এটি আলোচনা যুগুত কৰা।

৬। চমু টোকা লিখা (যি কোনো দুটা) : ৮×২=১৬

(ক) চৰিত সাহিত্য

(খ) ব্যৱহাৰিক জ্ঞানৰ সাহিত্য

(গ) ভট্টদেৱৰ গদ্য সাহিত্য

(ঘ) ৰামায়ণী সাহিত্য

★★★